# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-05-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## *Headlines*

**- - - - - - - - - - - - - - -**

১। পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন। ভোটদানৰ হাৰ প্ৰায় ৫৬ দশমিক ৪-১ শতাংশ।

২। পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযান তুংগত। মুখ্যমন্ত্ৰীৰ চাৰিখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা গৌৰৱ গগৈৰো নলবাৰীত মাৰাথন প্ৰচাৰ।

৩। নতুন দিল্লীত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তি স্থাপন আৰু পথ নামকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰক বি টি আৰ প্ৰধান প্ৰমোদ বড়োৰ কৃতজ্ঞতা জ্ঞাপন।

৪। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাকৰিত ৰঙালীৰ ধেমালি শীৰ্ষক বাৰেৰহণীয়া অনুষ্ঠানৰ আয়োজন।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি আহমেদাবাদত হ'বলগীয়া খেলত গুজৰাট টাইটানছ, ছানৰাইৰ্জাৰ্ছ হায়দৰাবাদৰ মুখামুখি।

০০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত আজি উজনি অসম, উত্তৰ অসম আৰু বৰাক উপত্যকাৰ মুঠ ১৪ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি বিয়লি চাৰে তিনি বজা পৰ্যন্ত ৫৬ দশমিক ৪-১ শতাংশ ভোটদান সম্পন্ন হৈছে।

তিনিচুকীয়া জিলাত ৪৮ দশমিক ১-৪ শতাংশ, ডিব্ৰুগড়ত ৪৫ শতাংশ, চৰাইদেউত ৫০ দশমিক ৯-৪ শতাংশ, শিৱসাগৰত ৫৭ দশমিক ৭-২ শতাংশ, মাজুলীত ৬১ দশমিক ৬-৭ শতাংশ, যোৰহাটত ৫৭ শতাংশ, গোলাঘাটত ৫২ দশমিক ৫-১ শতাংশ, ধেমাজিত ৬২ দশমিক ১ শতাংশ, লখিমপুৰত ৬৬ দশমিক ৫ শতাংশ, শোণিতপুৰত ৫২ দশমিক ৫ শতাংশ আৰু বিশ্বনাথত ৫৬ দশমিক ৮-৯ শতাংশ ভোটদান সম্পন্ন হৈছে। আনহাতে বৰাক উপত্যকাৰ কাছাৰ জিলাত ৫৮ দশমিক ৫-৫ শতাংশ, হাইলাকান্দিত ৬০ দশমিক ১-০ শতাংশ আৰু শ্ৰীভূমি জিলাত ৬০ দশমিক ১-৫ শতাংশ ভোটদান সম্পন্ন হৈছে। গোলাঘাট জিলাত আজি অনুষ্ঠিত ভোটগ্ৰহণ প্ৰক্ৰিয়া সন্দৰ্ভত আকাশবাণীৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে কয়-

*(বাইট ঃ হিৰণ্য গগৈ)*

সামগ্ৰিকভাৱে ভোটদান প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে অনুষ্ঠিত দুই-এটা স্থানত বিক্ষিপ্ত ঘটনা সংঘটিত হোৱাৰ বাতৰি আহি পৰিছে। ডিব্ৰুগড় জিলাৰ চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত জেৰাই দীঘলিবাৰী গাঁও পঞ্চায়তত চাৰি শতাধিক লোক ভোটদানৰ পৰা বঞ্চিত হোৱাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়।

রাজ্যিক নির্বাচন আয়োগে দিয়া তথ্য অনুযায়ী এই ১৪ খন জিলাত পঞ্চায়ত নির্বাচনৰ ভোটদাতাৰ সংখ্যা ৮৯ লাখ ৬০ হাজাৰ ৫৭৭। এই জিলাকেইখনত ২১৬ টা জিলা পৰিষদ, এহেজাৰ ১৩৯ টা আঞ্চলিক পঞ্চায়ত আৰু ১১ হাজাৰ ৩৯০ টা গাঁও পঞ্চায়তৰ ৱাৰ্ড আছে।

০০০০০

অহা ৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে শাসক-বিৰোধীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে ব্যাপক প্ৰচাৰ অভিযান চলাইছে। বিজেপি, অসম গণ পৰিষদ, কংগ্ৰেছ, ৰাইজৰ দল, এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থীসকলে ঘৰে ঘৰে গৈ প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ধুবুৰীৰ পৰা দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। ধুবুৰীৰ বীৰ চিলাৰায় মেলা ময়দানত অনুষ্ঠিত জনসভাত মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপি আৰু মিত্ৰদল অগপৰ প্ৰাৰ্থীক ভোট দিবলৈ আহ্বান জনায়। ধুবুৰী জিলাত মুখ্যমন্ত্ৰীৰ প্ৰচাৰ আৰু জিলাপ্ৰশাসনৰ প্ৰস্তুতি সন্দৰ্ভত আকাশবাণীৰ সংবাদদাতা প্ৰদীপ সাহাই এইদৰে কয়-

*(বাইট ঃ প্ৰদীপ সাহা)*

মুখ্যমন্ত্ৰী ড০ শৰ্মাই বঙাইগাঁৱৰ উত্তৰ শালমৰা প্ৰাথমিক বিদ্যালয় খেলপথাৰত আন এখন জনসভাত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ লগতে কামৰূপ জিলাৰ শুৱালকুছি বালিচৰ আৰু শিঙিমাৰী বজাৰ চকতো নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়া আৰু মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে বৰপেটা জিলাৰ ভৱানীপুৰ-সৰভোগ সমষ্টিৰ অন্তৰ্গত বৰনগৰ আৰু বগৰীগুৰি জিলা পৰিষদত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। বিজেপিৰ ৰাজ্যিক সভাপতি শ্ৰী শইকীয়াই বজালী জিলাৰ হেলনা ৰাস মন্দিৰ খেলপথাৰত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। হোজাই জিলাত সাংসদ কামাখ্যা প্ৰদাস তাছাই বিধায়ক ৰামকৃষ্ণ ঘোষক লগত লৈ নিৰ্বাচনী প্ৰচাৰ চলাইছে।

কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে আজি কামৰূপ মহানগৰৰ ডিমৰীয়াৰ মালয়বাৰীত বিজয় সংকল্প সমাৱেশত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী সোণোৱালে বিজেপি আৰু মিত্ৰদল অগপৰ প্ৰাৰ্থীক ভোট দিবলৈ আহ্বান জনায়।

মন্ত্ৰী পীযুষ হাজৰিকাই আজি কামৰূপ জিলাৰ কেইবাটাও স্থান বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

আনহাতে সাংসদ গৌৰৱ গগৈয়ে আজি নলবাৰী জিলাৰ ধমধমাত কংগ্ৰেছ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। কংগ্ৰেছ দলৰ সমৰ্থকসকলে সাংসদ গৌৰৱ গগৈক নলবাৰী নগৰৰ পৰা মটৰচাইকেল সমদলেৰে নিৰ্বাচনী সভালৈ আদৰি নিয়ে। নলবাৰীৰ আন কেইবাটাও স্থানত সাংসদগৰাকীয়ে কংগ্ৰেছ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

০০০০০

অহা ৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোট গ্ৰহণৰ বাবে বিভিন্ন জিলা প্ৰশাসনে পূৰ্ণ গতিৰে প্ৰস্তুতি চলাইছে। ভোটগ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনা কৰিবলৈ দক্ষিণ শালমৰা মানকাচৰ জিলাৰ জিলা প্ৰশাসনে প্ৰিজাইডিং, পোলিং বিষয়াৰ গোটক তৃতীয় পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰে। জিলাখনৰ হাটশিঙিমাৰী মহাবিদ্যালয়ত ১১২ টা প্ৰিজাইডিং আৰু পোলিং গোটক অন্তিম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। জিলা অতিৰিক্ত আয়ুক্ত ৰিপণজ্যোতি নাথৰ উপস্থিতিত প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। কাইলৈ বিয়লিৰ

ভিতৰত জিলাখনৰ মুঠ ৪০৬ টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ৪৪৮ টা প্ৰিজাইডিং আৰু পোলিং বিষয়াৰ গোটক তৃতীয় তথা অন্তিম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

বৰপেটা জিলা প্ৰশাসনেও দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰিবলৈ যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। জিলাখনত আজি ভোটগ্ৰহণকাৰী বিষয়াসকলৰ অন্তিম পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়।

00000

নতুন দিল্লীত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ সোঁৱৰণত প্ৰতিমূৰ্তি নিৰ্মাণ আৰু এটা পথৰ নামকৰণ কৰাত বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। নতুন দিল্লীত আজি অনুষ্ঠিত সংবাদমেলত বি টি আৰ প্ৰধান শ্ৰী বড়োৱে কয়, যে বি টি আৰ পৰিষদৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, দিল্লীৰ মেয়ৰ আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ ধন্যবাদসূচক পত্ৰ প্ৰেৰণ কৰিব। বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তি স্থাপন কৰা ক্ষেত্ৰৰ তত্বৱধানৰ বাবে বি টি আৰ পৰিষদৰ পৰা দিল্লী পৌৰ নিগম কৰ্তৃপক্ষক প্ৰতিমাহে ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে জুন মাহৰ পৰা বি টি আৰ পৰিষদৰ তৃতীয় পৰ্যায়ৰ ১০০ দিনীয়া কৰ্মসূচী গ্ৰহণ কৰা হ'ব।

00000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাকৰিত আজি ৰঙালীৰ ধেমালি শীৰ্ষক এটি বাৰেৰহণীয়া অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ বিভিন্ন কাৰ্যসূচীত কেন্দ্ৰটোৰ সকলো বিষয়া-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। পানী-পাৰ, বেলুন ফুটোৱা আদি বিভিন্ন খেল-ধেমালিৰ লগতে কেন্দ্ৰটোৰ ভালেসংখ্যক বিষয়া-কৰ্মচাৰীয়ে পৰম্পৰাগত সাজপাৰ পৰিধান কৰি ৰেম্পত খোজ কাঢ়ে। গীত-মাতেৰে মুখৰ হৈ পৰা আজিৰ এই বৰ্ণিল অনুষ্ঠানটোৰ বিষয়ে অনুষ্ঠানটিৰ অন্যতম আয়োজক তথা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰচাৰণ কাৰ্যবাহী ঋতুপৰ্ণ দাসে এইদৰে কয়।

**বাইট**

00000

অসম প্ৰকাশন পৰিষদৰ আজি ৬৭ সংখ্যক গৌৰৱোজ্জ্বল প্ৰতিষ্ঠা দিৱসত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমৰ চহকী তথা সম্ভ্ৰান্ত অনুষ্ঠানটিৰ প্ৰতিষ্ঠাৰ আঁৰত থকা বৰেণ্য লোকসকলৰ অৱদানক স্মৰণ কৰে। মুখ্যমন্ত্ৰীয়ে পৰিষদৰ বিষয়া-কৰ্মচাৰী তথা পঢ়ুৱৈ সমাজলৈও আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। বিভিন্ন ঘটনাক্ৰমৰ মাজেদি সাতটা দশক অতিক্ৰম কৰিবলৈ আগবঢ়া পৰিষদে অসমৰ সাহিত্য, সমাজ, সাংস্কৃতিক ঐতিহ্যক ধৰি ৰখা বহু মূল্যৱান গ্ৰন্থ প্ৰকাশ কৰাৰ লগতে অনুবাদ সাহিত্যলৈও বৰঙণি আগবঢ়াইছে। পৰিষদে সাহিত্যৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে গ্ৰন্থমেলাকে ধৰি বহু প্ৰকল্পৰ কাম হাতত লৈ আগবাঢ়ি যোৱাটো এক শুভ লক্ষণ বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। পৰিষদৰ এই কাৰ্যৰ প্ৰতি অসম চৰকাৰে দায়বদ্ধতাৰে কাম কৰি যাব বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

00000

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সদস্যপদৰ পৰা পদত্যাগৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছোচিয়েচনে আহ্বান জনাইছে। এছোচিয়েচনৰ সভাপতি আৰু সম্পাদকে প্ৰেৰণ কৰা পত্ৰখনত মুখ্যমন্ত্ৰীক তেওঁৰ পদত্যাগৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰাৰ বাবে আহ্বান জনোৱা হৈছে। পত্ৰখনত এছোচিয়েচনৰ নেতৃবৃন্দই এই বুলি উল্লেখ কৰিছে যে স্বাৰ্থৰ সৈতে সংঘাতৰ বিষয়টোক লৈ মুখ্যমন্ত্ৰীয়ে বাৰ এছোচিয়েচনৰ সদস্যপদৰ পৰা পদত্যাগ কৰাৰ প্ৰয়োজন নাই। বৰ্তমানৰ উচ্চ

ন্যায়ালয়ৰ আন্তঃগাঁথনিমূলক সমস্যাক লৈ মুখ্যমন্ত্ৰী ডঃ শৰ্মাই উদ্বেগ প্ৰকাশ কৰি এহেজাৰ কোটিতকৈও অধিক ধন ব্যয়েৰে উন্নয়নমূলক পদক্ষেপ গ্ৰহণ কৰিব বুলি দিয়া প্ৰতিশ্ৰুতিক এছোচিয়েচনে প্ৰশংসা কৰিছে। অধিবক্তা সংগঠনটোৱে বৰ্তমানৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ চৌহদ ব্ৰহ্মপুত্ৰ নদীৰ দিশে বহলাই নিয়া, উচ্চ ন্যায়ালয়ৰ গাঁথনি সপ্তম মহলালৈ বৃদ্ধি কৰা, কনিষ্ঠ অধিবক্তাসকলক ৫ বছৰ পৰ্যন্ত পাৰিতোষিক দিয়াৰ বাবে বাজেটত ১০ কোটি টকা ধাৰ্য কৰা আদি দাবীসমূহ পত্ৰযোগে মুখ্যমন্ত্ৰীৰ ওচৰত উত্থাপন কৰে। উল্লেখযোগ্য যে বাৰ এছোচিয়েচনে উত্তৰ গুৱাহাটীৰ ৰংমহললৈ উচ্চ ন্যায়ালয়ৰ স্থানান্তৰৰ বিৰোধিতা কৰি আহিছে। বাৰ এছোচিয়েচনৰ এনে সিদ্ধান্তৰ সৈতে একমত হ'ব নোৱাৰাৰ বাবেই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এছোচিয়েচনৰ সদস্যপদৰ পৰা পদত্যাগ কৰি পত্ৰ প্ৰেৰণ কৰিছিল।

ooooo

ৱেভছ সন্মিলন ২০২৫ৰ অংশ হিচাপে আজি পুৱা মুম্বাইৰ জিঅ' ৱৰ্ল্ড কনভেচন কেন্দ্ৰত সংবাদ সেৱা বিষয়ক এখন আন্তঃৰাষ্ট্ৰীয় বৈঠক অনুষ্ঠিত হৈছে। এই বৈঠক তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ উদ্যোগত আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত অনুষ্ঠিত হৈছে।

মুম্বাইৰ জিঅ' বিশ্ব অভিৱৰ্তন কেন্দ্ৰত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্ব দৃশ্য-শ্ৰাব্য আৰু মনোৰঞ্জন সন্মিলন- ৱেভছ্-২০২৫ উদ্বোধন কৰে। অভিনেতা আমিৰ খানে আজি এই সন্মিলনত উপস্থিত থাকি কয়, যে ভাৰতত জনসাধাৰণৰ বিপৰীতে চলচ্চিত্ৰ গৃহৰ সংখ্যা কম। তেওঁ কয়, যে ভাৰতত কৈ আমেৰিকা যুক্তৰাষ্ট্ৰত জনসংখ্যা কম যদিও চলচ্চিত্ৰ গৃহৰ সংখ্যা যথেষ্ট বেছি।

ooooo

অসম কলেজ শিক্ষক সংস্থাৰ অন্তৰ্গত গুৱাহাটী মহাবিদ্যালয় শিক্ষক গোটে আজি পদ্মভূষণ সন্মানেৰে সন্মানিত বিশিষ্ট নৃত্যশিল্পী যতীন গোস্বামীক তেওঁৰ বাসগৃহত সন্মান জনায়। মহাবিদ্যালয়ৰ উপাধ্যক্ষ দিব্যৰঞ্জন শৰ্মা খাটনিয়াৰৰ লগতে মহাবিদ্যালয় শিক্ষক গোটৰ সভাপতি ডঃ ধৰণী লাহন, সম্পাদক ডঃ জিণ্টু শৰ্মা, জ্যেষ্ঠ অধ্যাপক অধ্যাপিকা ক্ৰমে ডঃ অৰূপ কুমাৰ গোস্বামী, ডঃ দিনেশ কাকতি আৰু ডঃ স্বপ্না বৰুৱা উপস্থিত থকা সম্বৰ্দ্ধনা কাৰ্যসূচীত নৃত্যাচাৰ্য যতীন গোস্বামীয়ে তেওঁৰ বৰ্ণিল জীৱন অভিজ্ঞতাৰ বিভিন্ন কথাৰে সকলোকে আপ্লুত কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া খেলত গুজৰাট টাইটানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত